স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

দ □ ২৫ ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-201 □ FRIDAY 25 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGA

ডিগবৈত গুৰুজনাৰ জন্মোৎসৱৰ মুকলি সভা

শংকৰদেৱে গঢ়া অসমীয়া সমাজ এতিয়া নাইঃ ড° শইকীয়া

নিয়মীয়া বাৰ্তা, ডিগবৈ, ২৪ ছেপ্টেম্বৰ ঃ 'শ্ৰীমন্ত শংকৰদেৱে গঢ়া বৃহত্তৰ অসমীয়া সমাজখন এতিয়া নাই' এই মন্তব্য ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ড° শশীকান্ত শইকীয়াৰ। ডিগবৈৰ ১৯টা নামঘৰে একত্ৰিত হৈ গোলাই মিলনপুৰ নামঘৰত আয়োজন ১৫ পৃষ্ঠাত

SUN VALLEY NURSING INSTITUTE

Purbanchal Path, Mathura Nagar, G.S Road, Guwahati-

[Recognized by Indian Nursing Council, ANC& Govt of

ADMISSION OPEN!!

FOR SESSION 2026-2027

GNM

3 Years Diploma Course

For Details contact:

Phone No- 78965-43546, 93958-94109

Email - gnmschoolsunvalley@gmail.com

- Both male and female can apply (CEE passed candida
- Nominal scholarship for Merit students.
- Medical benefits will be provided to parents and students parent hospital

For other details visit our website : www.sunvalleynursin

Limited Seats Available!!

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

R 2026 (ডিব্রুগড়

শংকৰদেৱে গঢ়া অসমীয়া সমাজ এতিয়া

কৰা ৫৭৮সংখ্যক শংকৰদেৱৰ জন্মোৎসৱৰ আজি অন্তিম দিনাৰ মুকলি সভাত ড° শশীকান্ত শইকীয়াই শ্ৰীমন্ত শংকৰদেৱৰ সেই শান্তি ঐক্য, একতা, মিলাপ্ৰীতি আৰু ভাষা-সংস্কৃতি প্ৰায় নোহোৱা বুলি উদ্বেগ প্ৰকাশ কৰে। শং কৰদেৱৰ আত্মনিৰ্ভৰশীল অসমীয়া সমাজৰ আদৰ্শ পৰা আজি অসমীয়াই বিচ্ছিন্ন হ'ব ধৰিছে বুলিও আক্ষেপ প্ৰকাশ কৰে। শংকৰদেৱক আমি বিশ্ব দৰবাৰলৈ লৈ যাবলৈ শ্ল'গান দি থাকিলে নহ'ব, প্ৰকৃতাৰ্থত প্ৰণালীবদ্ধভাৱে কাম কৰিব লাগিব বুলি মতপোষণ কৰে শইকীয়াই। গুৰুজনাৰ উদ্ধৃতিৰে মুখ্য অতিথি ড° শশীকান্ত শইকীয়াই সকলোকে হাতচাপৰি বজাই থাকিবলৈ আহবান জনায়। হাঁহিব জনা জাতিয়ে বিশ্বজয় কৰিব পাৰে। গুৰুজনাই সেই সময়ত সকলোকে হাঁহিবলৈ শিকাইছিল। শংকৰদেৱে এখন সমাজ প্ৰদান কৰিছিল। কিন্তু বৰ্তমান প্ৰজন্মই গুৰুজনাৰ সৃষ্টিৰাজি, জীৱন নিৰ্বাহ ধাৰণক উপেক্ষিত কৰি নিজকে তথাকথিত আধুনিক সভ্যতাৰ সৈতে খোজ মিলাবলৈ গৈ নিজৰ সংস্কৃতি পাহৰি এক বিশৃংখল সমাজ গঢ়ি তোলা হৈছে বুলি কয়। কৰ্মৰ যোগেদি, ধৰ্ম আৰু সমন্বয়ৰ যোগেদি সংযমী হৈ নিজকে আগবঢ়াই নিবলৈ মহাপুৰুষ শংকৰদেৱে সকলোকে আহবান জনাইছিল। জিণ্টিময়ী ভড়ালী দাসে এটি বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা মুকলি সভাখনৰ সভাপতিত্ব কৰে আয়োজক সমিতিৰ সভাপতি অজিত সোনোৱালে। সাধাৰন সম্পাদক অমৃত দত্তই সূচনা কৰা মুকলি সভাখন উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াই। সভাত কাৰ্যকৰী উপদেষ্টা দ্বীপেন কুমাৰ বড়া, কাৰ্যকৰী সভাপতি জিতেন দত্ত, অভ্যৰ্থনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁই, সাধাৰণ সম্পাদক পদুম খাকলাৰী, কোষাধ্যক্ষ পৰাণ খনিকৰসহ বহু বিশিষ্ট ব্যক্তি, স্থানীয় ভকত বৈষ্ণৱ, আই সকল উপস্থিত থাকে। মুকলি সভাত ডিগবৈ সমাজ জীৱনলৈ আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে অৰূপ গোস্বামী, ৰাম নিৰলা, ধৰ্মেশ্বৰ কাকতি, যতীন গগৈ, বিতুল শইকীয়া, ৰিজু ভট্টাচাৰ্য, ৰেণুপ্ৰভা বৰগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁয়ে আদৰণী ভাষণ প্ৰদান কৰাৰ পিছতেই আয়োজক সমিতিৰ সাধাৰণ সম্পাদক অমৃত দত্তই ৫৭৮সংখ্যক জন্মোৎসৱ পালন সমিতিৰ কাৰ্যক্ৰমণিকা ৰেঙনি পাঠ কৰে। ইয়াৰ মাজতে ডিগবৈৰ এগৰাকী যুৱতী সমাজকৰ্মী ধৰিত্ৰী বৰবৰুৱাই এটি কামৰূপীয়া লোকগীত পৰিৱেশন কৰে। ডিগবৈ শংকৰজন্মোৎসৱৰ প্ৰতিবছৰে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ প্ৰণিপাতৰ একত্ৰ সংকলন উন্মোচনী সভাখনৰ আঁত ধৰে জোনালী বুঢ়াগোহাঁয়ে। প্ৰণিপাত একত্ৰ সংকলনখনি উন্মোচন কৰে সাহিত্যিক পুণ্য শইকীয়া আৰু বিশিষ্ট অতিথি ড° শশীকান্ত শইকীয়াই। ডিগবৈ অসম তেল সংমণ্ডলৰ কৰ্মচাৰী, বিশিষ্ট কবি, ভাওনা সংস্কৃতিৰ প্ৰশিক্ষক দ্বিপেন কুমাৰ বড়াই তেওঁৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰে সম্পাদনা কৰি প্ৰকাশ কৰি উলিওৱা ৮০০ পৃষ্ঠাৰ প্ৰণিপাত একত্ৰ সংকলনখনি ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অমল সম্পদ ৰূপে সংৰক্ষিত হৈ ৰ'ব বুলি আয়োজক সমিতিয়ে ব্যক্ত কৰে। নিশালৈ শিৱসাগৰ শ্যামকানু নাট্যগোষ্ঠীৰ দ্বাৰা শ্ৰীশ্ৰী ভাগৱত দৰ্শন ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।

গগৈয়ে।
মতলেবব
তথ্য প্ৰমা
অনুকম্প
১৪ বছৰ
৫ মাহৰ
দিনৰ আ
পলাতক
মানৰ আ
অৱশেষত

মহ

নিয়মীয়া
সমিতিৰ
ধৰ্মৰ প্ৰ
সমাৰোহ
উপস্থিতি
গুৰমিত
উপস্থিত
পিল্লাই
মহাৰাজ
অতিথিৰ
ৰাজ্যপাল
গ্ৰন্থও উ
পতাকা উ
অৱদান